# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-SEP-2025
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

**-------------------**

০০০০০

সেৱা সপ্তাহৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰে এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি ১৮ বছৰ তলৰ ল'ৰা-ছোৱালীৰ বাবে বৃহৎ চিকিৎসা শিবিৰ মুকলি কৰে। এই শিবিৰত ৫০টাতকৈ অধিক ৰোগৰ বিনামূলীয়া চিনাক্তকৰণ আৰু চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ আটাইকেইটা বিধানসভা সমষ্টিতে এই শিবিৰ মুকলি কৰা হৈছে। **চাবুৱাৰ** ডি ডি আৰ মহাবিদ্যালয়ত আজি আয়োজিত এই কাৰ্যসূচীত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। তেওঁ কয়, যে বৃহৎ স্বাস্থ্য শিবিৰত প্ৰদান কৰা স্বাস্থ্য সেৱাৰ সুবিধাই মহিলা আৰু শিশুসকলকে ধৰি সৰ্বস্তৰৰ ৰাইজক উপকৃত কৰিছে।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

**হোজাই** জিলাতো আজি শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষাৰ বাবে স্বাস্থ্য মেলা অনুষ্ঠিত হয়।

০০০০০

গোলাঘাট জিলাৰ শেহতীয়া বান পৰিস্থিতিৰ বাবে পৰহিলৈৰ পৰা হ'বলগীয়া ছমহীয়া পৰীক্ষাৰ দিন পিছুৱাই দিয়া হৈছে। গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে এই সন্দৰ্ভত অধিসূচনা জাৰি কৰি নৱম আৰু দশম শ্ৰেণীৰ ছমহীয়া পৰীক্ষা স্থগিত ৰখাৰ বিষয়ে ঘোষণা কৰিছে। একেদৰে জিলাখনৰ অন্তৰ্গত প্ৰাথমিক বিদ্যালয়ৰ পৰীক্ষাসমূহো পিছুৱাই দিয়া হৈছে। জিলা আয়ুক্তৰ নিৰ্দেশনা ভিত্তিত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০

কাজিৰঙাত যোৱা নিশা বনৰীয়া হাতীৰ আক্ৰমণত এজন বনকৰ্মী আহত হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পাণবাৰী সংৰক্ষিত বনাঞ্চলৰ সমীপত নিশা তহল দি থকা ৰাজু মৰাং নামৰ বনকৰ্মীজনক এটা বনৰীয়া হাতীয়ে অতৰ্কিতে আক্ৰমণ কৰে। আহত বনকৰ্মীজনক ততাতৈয়াকৈ বোকাখাতৰ ছহিদ কমলা মিৰি মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও নিশাই তেওঁক উন্নত চিকিৎসাৰ বাবে যোৰহাট মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

০০০০০

কাছাৰৰ কাটিগড়াত স্থানীয় ৰাইজে আজি শিশু, মহিলাসহ ৭ জন ৰোহিংগীয়াক আটক কৰে। অঞ্চলটোত ঘূৰি থকা অৱস্থাত স্থানীয় লোকে সন্দেহবশত তেওঁলোকক আটক কৰি সোধা-পোছা কৰাত কেইবছৰমান পূৰ্বে

তেওঁলোকে বাংলাদেশৰ পৰা ভাৰতত অবৈধভাৱে প্ৰৱেশ কৰাৰ কথা স্বীকাৰ কৰে। পাছত আটাইকেইজন লোকক ৰাইজে স্থানীয় গুমৰা আৰক্ষীক গতাই দিয়ে। উল্লেখযোগ্য যে যোৱা কেইমাহমানত কাছাৰত ডেৰ শতাধিক বাংলাদেশী আৰু ৰোহিংগীয়া লোকক আটক কৰা হৈছে।

০০০০০

লখিমপুৰ জিলা আইন সেৱা প্ৰাধিকৰণে আজি জিলা প্ৰশাসনৰ সহযোগত জিলাখনৰ পানীন্দ্ৰ বিদ্যালয়ত বাল্যবিবাহ সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত কৰে। সভাৰ লগতে এটা আইনী সাক্ষৰতা ক্লাবো মুকলি কৰা হয়।

০০০০০

কাছাৰ আৰক্ষীয়ে আজি বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্যসহ দিলোৱাৰ হুছেইন লস্কৰ নামৰ এজন লোকক আটক কৰে। আৰক্ষীয়ে শিলচৰ থানাৰ অন্তৰ্গত কাঠাল বাইপাছ সংলগ্ন আতালবস্তিত বিশেষ অভিযান চলাই দিলোৱাৰ হুছেইন লস্কৰৰ গাড়ীৰ পৰা ৪০ হাজাৰ য়াবা টেবলেট জব্দ কৰে। এই টেবলেটখিনিৰ বজাৰ মূল্য প্ৰায় ১২ কোটি টকা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। নিচাজাতীয় সামগ্ৰীখিনি মণিপুৰৰ চুড়াচান্দপুৰৰ পৰা অনা হৈছিল।

০০০০০

আজি বিশ্ব বাঁহ দিৱস। পৰিৱেশ সংৰক্ষণ, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত বাঁহৰ গুৰুত্ব সম্পৰ্কত সজাগ কৰাৰ বাবে প্ৰতিবছৰে ১৮ ছেপ্তেম্বৰৰ দিনটো বাঁহ দিৱস হিচাপে পালন কৰা হয়। ২০০৯ চনত বিশ্ব বাঁহ সংস্থাৰ অধ্যক্ষ কামেশ ছালামে এই দিৱস উদযাপনৰ সিদ্ধান্ত লৈছিল। এই দিৱস উদযাপনৰ দ্বাৰা গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন, জলবায়ু পৰিৱৰ্তন ৰোধ কৰা আৰু বহনক্ষম উন্নয়নৰ বাবে নৱীকৰণযোগ্য সম্পদ হিচাপে বাঁহৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰা হৈছে। উল্লেখযোগ্য যে ভাৰতত থকা ১৩১ বিধ বাঁহৰ প্ৰজাতিৰ ভিতৰত ৫১ বিধেই অসমত হয়। ৰাজ্যখনৰ ৩১ হাজাৰ হেক্টৰ ভূমিত বাঁহ খেতি কৰা হয়। শেহতীয়াকৈ নুমলীগড় শোধনাগাৰৰ চৌহদত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক ইথানল প্ৰকল্প দেশৰ প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰাৰ পাছতে বাণিজ্যিক ক্ষেত্ৰতো বাঁহৰ গুৰুত্ব বৃদ্ধি পাইছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে প্ৰধানমন্ত্ৰীয়ে যোৱা ১৪ ছেপ্তেম্বৰত উদ্বোধন কৰা নুমলীগড় শোধনাগাৰৰ বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্পৰ বাবে ইতিমধ্যে এক কোটি টকা মূল্যৰ বাঁহ শোধনাগাৰ কৰ্তৃপক্ষই ক্ৰয় কৰিছে। এই প্ৰকল্পৰ বাবে বাঁহৰ এটা অবিৰত যোগান শৃংখলা গঢ়ি তুলিবলৈ এন আৰ এল কৰ্তৃপক্ষই বিশেষ ব্যৱস্থা লৈছে। ৫ হাজাৰ কোটি টকাৰে স্থাপন কৰা বিশ্বৰ প্ৰথম হিচাপে পৰিগণিত এই বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্পই ৰাজ্যৰ ৫০ হাজাৰ বাঁহ খেতিয়কৰ জীৱনলৈ অভূতপূৰ্ব পৰিৱৰ্তন আনিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত